# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 12-07-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীক আজি ৰোজগাৰ মেলাৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিযুক্তি পত্ৰ প্ৰদান।

২। গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ পাইকান সংৰক্ষিত বনাঞ্চলত আজি উচ্ছেদ অভিযান।

৩। ৰাজ্যত বৰষুণৰ পৰিমাণ উদ্বেগজনকভাৱে হ্ৰাস। যোৱা ১ জুনৰ পৰা ১০ জুলাইলৈ অসমত বৰষুণৰ পৰিমাণ ৩৪ শতাংশ হ্ৰাস।

*আৰু*

৪। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ তৃতীয়খন টেষ্টত ভাৰতৰ কালি প্ৰথম ইনিংছত তিনিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৪৫ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চৰকাৰৰ বিভিন্ন বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰিব। প্ৰধানমন্ত্ৰীয়ে এই কাৰ্যসূচীত নৱনিযুক্ত প্ৰাৰ্থীসকলক উদ্দেশ্যি ভাষণ দিব। উল্লেখযোগ্য যে নতুনকৈ নিযুক্তি লাভ কৰা যুৱক-যুৱতীসকলক নিযুক্তিপত্ৰ বিতৰণৰ লক্ষ্যৰে আজি দেশৰ ৪৭ টা স্থানত ষোড়শ ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহত নতুনকৈ প্ৰাৰ্থীক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। দেশৰ ভিন ভিন স্থানৰ পৰা নিযুক্তি লাভ কৰা এই প্ৰাৰ্থীসকলে ৰে'ল, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ শ্ৰম আৰু নিয়োগ, ডাক বিভাগ আদিকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগ আৰু মন্ত্ৰালয়ত যোগদান কৰিব।

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ পৃষ্ঠপোষকতাত আজি গুৱাহাটী, ডিমাপুৰ আৰু শিলিগুৰিত পুৱা চাৰে দহ বজাৰ পৰা এই ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ গুৱাহাটীৰ মালিগাঁৱত থকা মুখ্য কাৰ্যালয় ৰং ভৱনত হ'বলগীয়া ৰোজগাৰ মেলাত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। ডিমাপুৰৰ টাউন হলত হ'বলগীয়া ৰোজগাৰ মেলাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৰে অংশগ্ৰহণ কৰিব। শিলিগুৰিৰ কাশ্মীৰ কলনিত থকা ভি আই পি অফিচাৰ ৰেষ্ট হাউচত হ'বলগীয়া আনখন ৰোজগাৰ মেলাত কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ ৰাজ্যমন্ত্ৰী অজয় তামতা উপস্থিত থাকিব। দেশৰ ভিন ভিন স্থানৰ পৰা নিযুক্তি লাভ কৰা এই প্ৰাৰ্থীসকলে ৰে'ল, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ শ্ৰম আৰু নিযুক্তি, ডাক বিভাগ আদিকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ত যোগদান কৰিব। ৰোজগাৰ মেলাৰ আয়োজন সন্দৰ্ভত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়া নীলাঞ্জন দেৱে এইদৰে কয় –

*বাইট*

00000000

গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ পাইকান সংৰক্ষিত বনাঞ্চলত আজি পুনৰ উচ্ছেদ অভিযান আৰম্ভ হৈছে। সংৰক্ষিত বনাঞ্চলখনৰ প্ৰায় ১৪০ হেক্টৰ ভূমিত আজি উচ্ছেদ চলিব। এই উচ্ছেদ অভিযানত বন বিভাগৰ বেটেলিয়ান, আৰক্ষীসহ প্ৰায় ১৬ শ জোৱান নিয়োগ কৰা হৈছে। অঞ্চলটোৰ বিদ্যাপাৰা, আশুডুবি, বেদবাৰী আদি অঞ্চলৰ পথসমূহত আৰক্ষীয়ে বেৰিকেড তৈয়াৰ কৰি কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। উল্লেখযোগ্য যে অঞ্চলটোৰ প্ৰায় ৮০ শতাংশ পৰিয়ালে ঘৰ খালী কৰি আঁতৰি গৈছে। আজিৰ এই উচ্ছেদ সন্দৰ্ভত বিতং তথ্যৰে আমাৰ গোৱালপাৰাৰ সংবাদদাতা ৰছিদুল হুছেইন—

*(বাইট ঃ ৰছিদুল হুছেইন)*

00000000

অসমত দুগ্ধ উৎপাদনেৰে স্থানীয় অৰ্থনীতি সৱল কৰাৰ সুন্দৰ সম্ভাৱনা আছে। দুদিনীয়া কাৰ্বি আংলং ভ্ৰমণৰ সময়ছোৱাত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি জিলাখনৰ মানজাৰ এটা দুগ্ধ উৎপাদন কেন্দ্ৰ পৰিদৰ্শন কৰি এই মন্তব্য কৰে। তেওঁ লগতে কয়, যে স্থানীয় অৰ্থনীতি সৱল কৰি তোলাৰ বাবে দুগ্ধ খণ্ডৰ উন্নয়নৰ প্ৰয়োজন। কৃষক আৰু চৰকাৰৰ মাজত সমন্বয় থাকিলেহে দুগ্ধ খণ্ডৰ উন্নয়ন অধিক ত্বৰান্বিত হ'ব বুলিও তেওঁ উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে কাৰ্বি আংলঙৰ ভ্ৰমণৰ অংশ হিচাপে কালি লংনিতত থকা জলজীৱন মিছনৰ প্ৰকল্পস্থলীও পৰিদৰ্শন কৰে। তদুপৰি তেওঁ চৰকাৰৰ বিভিন্ন আঁচনিসমূহ ৰূপায়ণ আৰু হিতাধিকাৰীসকলে সেই আঁচনিসমূহৰ পৰা কেনেদৰে সৰ্বাধিক লাভ পাব পাৰে সেই বিষয় লৈও স্থানীয় লোকৰ সৈতে বাৰ্তালাপ কৰে।

00000000

ৰাজ্য চৰকাৰৰ অনুসূচীত জাতি, পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয় আৰু উত্তৰ-পূব দক্ষতা কেন্দ্ৰৰ সহযোগত শোণিতপুৰ জিলাৰ অনুসূচীত জাতিৰ প্ৰাৰ্থীৰ বাবে প্ৰধানমন্ত্ৰী অনুসূচীত জাতি অভ্যুদয় আঁচনিৰ অধীনত বিনামূলীয়াকৈ এবছৰীয়া বৃত্তিমূলক দক্ষতা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ২০২৫-২০২৬ শৈক্ষিক বৰ্ষৰ বাবে অহা ১৬ জুলাই পুৱা ১১ বজাৰ পৰা তেজপুৰত থকা জিলা নিয়োগ বিনিময় কেন্দ্ৰত এই নামভৰ্তি অভিযান অনুষ্ঠিত হ'ব। আই টি ই ই এছ ছিংগাপুৰৰ সহযোগিতাৰে অসম দক্ষতা বিকাশ অভিযানৰ অধীনৰ এই প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে ব্যৱসায়িক ভিত্তিত সৌন্দৰ্য চৰ্চা আৰু স্বাস্থ্য যতন, খুচুৰা সেৱাকে ধৰি বিভিন্ন বিষয়ৰ উচ্চমানৰ বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণৰ নামভৰ্তিৰ বাবে প্ৰাৰ্থীসকল অনুসূচীত জাতিৰ হোৱাৰ লগতে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। প্ৰশিক্ষাৰ্থীৰ বয়স ১৭ৰ পৰা ২৫ৰ বছৰৰ ভিতৰত হ'ব লাগিব। ১৬ জুলাইত হ'বলগীয়া কাৰ্যসূচীত ইচ্ছুক প্ৰাৰ্থীসকলৰ বাবে থিতাতে নামভৰ্তিৰ ব্যৱস্থা কৰা হৈছে। আগ্ৰহী অনুসূচীত জাতিৰ প্ৰাৰ্থীসকলক সেইদিনা সঠিক সময়ত উপস্থিত থাকি বিনামূলীয়া দক্ষতা বিকাশ প্ৰশিক্ষণ আৰু উন্নত নিয়োগৰ সুযোগৰ বাবে সুবিধা গ্ৰহণ কৰিবলৈ শোণিতপুৰৰ জিলা উন্নয়ন আয়ুক্তই আহ্বান জনাইছে।

00000000

ৰাজ্যত বৰষুণৰ পৰিমাণ উদ্বেগজনকভাৱে হ্ৰাস পাইছে। ভাৰতীয় বতৰ বিজ্ঞান সংস্থাই প্ৰকাশ কৰা অনুসৰি যোৱা ১ জুনৰ পৰা ১০ জুলাইলৈ অসম আৰু মেঘালয়ত বৰষুণৰ পৰিমাণ স্বাভাৱিক অৱস্থাতকৈ বহু পৰিমাণে হ্ৰাস পাইছে। সংস্থাটোৰ তথ্য অনুসৰি এই সময়ছোৱাত অসমত ৩৪ শতাংশ আৰু মেঘালয়ত ৪৭ শতাংশ বৰষুণ হ্ৰাস পাইছে। সমান্তৰালভাৱে অৰুণাচলত ৪০ শতাংশ আৰু মণিপুৰত ২০ শতাংশ হ্ৰাস পাইছে।

ইপিনে, অসম কৃষি বিশ্ববিদ্যালয়ৰ তথ্য অনুসৰি জুনত ৰাজ্যখনৰ ডিব্ৰুগড়, গোলাঘাট, বাক্সা, বৰপেটা, বঙাইগাঁও, বজালী আৰু গোৱালপাৰা জিলাত বৰষুণৰ পৰিমাণ স্বাভাৱিক অৱস্থাতকৈ ৬২-ৰ পৰা ৭২ শতাংশ পৰ্যন্ত হ্ৰাস পাইছে। ভৰ বাৰিষাৰ সময়ত বৰষুণৰ অস্বাভাৱিক পৰিমাণ হ্ৰাসৰ ফলত কৃষক ৰাইজ দুঃচিন্তাত পৰিছে। বাৰিষাৰ সময়ত বৰষুণৰ এনে উদ্বেগজনক অনিশ্চয়তাই স্বাভাৱিকতে ৰাজ্যৰ কৃষিখণ্ডত বিৰূপ প্ৰভাৱ পেলাব বুলি আশংকা প্ৰকাশ কৰা হৈছে।

oooooooo

ৰঙিয়াৰ পৰা ৰঙাপাৰা-লখিমপুৰ হৈ ডিব্ৰুগড় সংযোগী ৰে'লপথত কালি বিদ্যুৎচালিত যাত্ৰীবাহী ৰে'লৰ যাত্ৰা আৰম্ভ হয়। দিল্লীৰ পৰা ডিব্ৰুগড় অভিমুখী ৰাজধানী এক্সপ্ৰেছ ৰঙিয়া জংছনত উপস্থিত হোৱাৰ পিছতেই এই বিদ্যুৎচালিত ৰে'লপথত যাত্ৰা আৰম্ভ কৰা হয়। ৰঙিয়া ৰে'ল সংমণ্ডলৰ বিষয়া নিৰজ গুপ্তাই এই কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে। উল্লেখযোগ্য যে, ৪২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'ল পথটোৰ বৈদ্যুতিকৰণৰ কাম ২০২২ চনত আৰম্ভ হৈছিল। এই নতুন পদক্ষেপে অঞ্চলটোৰ ৰে'ল যোগাযোগ ব্যৱস্থাত নতুন অধ্যায়ৰ সূচনা কৰাৰ লগতে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰতো সহায়ক হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

oooooooo

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত মূল্যবোধ আধাৰিত শিক্ষা ব্যৱস্থা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম মাধ্যমিক শিক্ষা পৰিষদ ছেবাৰ প্ৰাক্তন অধ্যক্ষ শান্তিকাম হাজৰিকা আৰু গুৱাহাটী তাৰিণী চৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোৎস্না ভাগৱতীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

oooooooo

ৰাজ্যৰ বিদ্যালয়সমূহৰ টিউটৰসকলক শিক্ষক পদলৈ উন্নীতকৰণকে ধৰি কেইবাটাও দাবীৰ সমৰ্থনত কালি সদৌ অসম প্ৰাদেশীকীকৃত মধ্য ইংৰাজী আৰু নিম্ন প্ৰাথমিক টিউটৰ সংস্থাই বিক্ষোভ প্ৰদৰ্শন কৰে। গুৱাহাটীৰ চচলত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সহস্ৰাধিক টিউটৰে হাতে হাতে বেনাৰ, প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে চচলৰ পৰা দিছপুৰলৈ ৰাওনা হোৱাৰ চেষ্টা চলাই যদিও নিৰাপত্তাৰক্ষীৰ লোকে বাধা প্ৰদান কৰে। প্ৰতিবাদকাৰী টিউটৰসকলে জনায় যে, দায়িত্ব পালনৰ ক্ষেত্ৰত শিক্ষকসকলৰ সমানে কাম কৰিবলগীয়া হয় যদিও প্ৰাপ্য লাভৰ ক্ষেত্ৰত টিউটৰসকলে শিক্ষকসকলৰ দৰে সা-সুবিধা আৰু দৰমহা লাভ নকৰে। সেয়েহে সংশ্লিষ্ট আইন সংশোধন কৰি হ'লেও টিউটৰসকলক শিক্ষকৰ মৰ্যদা বিনা চৰ্তে প্ৰদান কৰাৰ বাবে প্ৰতিবাদকাৰী টিউটৰসকলে দাবী উত্থাপন কৰে।

oooooooo

লখিমপুৰ জিলাৰ বিহপুৰীয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়া ড° ৰাতুল বৰাৰ নেতৃত্বত ৬৩৩ নম্বৰ বালিপুখুৰী প্ৰাথমিক বিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ছদিনীয়া শিবিৰ অনুষ্ঠিত হৈছে। যোৱা ৬ জুলাইত আৰম্ভ হোৱা এই শিবিৰৰ আজি সামৰণি পৰিব। ছাত্ৰ-ছাত্ৰী আৰু যুৱ সমাজৰ সামাজিক দায়বদ্ধতা, সামাজিক শৃংখলা আৰু সমাজ সেৱাৰ মনোভাৱেৰে গঠিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিভিন্ন কাৰ্যসূচীৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ মাজত কেইবাটাও দিশত সজাগতা সৃষ্টিৰ প্ৰয়াস চলোৱা হৈছে। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি ড্ৰাগছ সেৱনৰ বিৰুদ্ধে এখন আলোচনাচক্ৰও অনুষ্ঠিত হয়। শিবিৰত প্ৰতিটো সন্ধিয়া ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিত্ব আৰু প্ৰতিভা বিকাশৰ লক্ষ্যৰে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়।

00000000

ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত আৰু পূৰ্বোত্তৰ প্ৰদেশীয় মাৰোৱাৰী যুৱ মঞ্চ, মাৰোৱাৰী সন্মিলন আৰু মাৰোৱাৰী সন্মিলন মহিলা শাখাৰ লগতে ডিব্ৰুগড়ৰ প্ৰাগ-জনমভূমি পৰিয়ালৰ সহযোগত আয়োজিত ভূপেন্দ্ৰ সংগীত কৰ্মশালাৰ কালি সামৰণি পৰে। তিনিদিনীয়াকৈ অনুষ্ঠিত এই কৰ্মশালাত অংশগ্ৰহণকাৰীসকলক ভূপেন হাজৰিকাৰ সংগীতৰ গভীৰতা, ব্যঞ্জনা, কথা আৰু সুৰ সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হয়। কৰ্মশালাত ডিব্ৰুগড়ৰ প্ৰেৰণা শিশু গৃহৰ কেইবাগৰাকীও শিশুৱে অংশগ্ৰহণ কৰে। সংগীত শিল্পী মণীষা হাজৰিকা, নিত্যানন্দ ডেকা, নমিতা ভট্টাচাৰ্য গোস্বামী আৰু সৌৰভ মহন্তই সমল ব্যক্তি হিচাপে অংশগ্ৰহণকাৰী শিশুসকলক প্ৰশিক্ষণ প্ৰদান কৰে। এই অনুষ্ঠানতেই ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ হৈ সম্পাদিকা মঞ্জুলা হাজৰিকাই প্ৰেৰণা শিশু গৃহৰ বাবে আৰ্থিক অনুদান আগবঢ়ায়।

00000000

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত ক্ৰিকেট টেষ্ট শৃংখলাৰ লৰ্ডছত অনুষ্ঠিত তৃতীয়খন টেষ্টত ভাৰতে কালি নিজ প্ৰথম ইনিংছত তিনিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৪৫ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব। ভাৰতীয় সময় অনুসৰি খেলখন  বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে ঘৰুৱা দল ইংলেণ্ডে কালি প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৩৮৭ ৰান সংগ্ৰহ কৰে। ভাৰত বৰ্তমান ২৪২ ৰানত পিছ পৰি আছে। কালি দ্বিতীয় দিনা ভাৰতৰ যশপ্ৰীত বুমৰাই পাঁচটা উইকেট দখল কৰে। নিজৰ প্ৰথম ইনিংছত ভাৰতৰ যশস্বী জয়ছোৱালে মাত্ৰ ১৩ ৰান কৰি আউট হয় যদিও কে এল ৰাহুল আৰু কৰুণ নায়াৰৰ যুটীটোৱে ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। নায়াৰে ৪০ ৰান কৰি আউট হয়। অধিয়ানক সুভমন গীলেও ১৬ ৰান কৰি বিদায় ল'বলগীয়া হয়। কালি খেলৰ সামৰণি পৰলৈকে কে এল ৰাহুল আৰু উপ-অধিনায়ক ঋষভ পণ্টে খেলি আছিল। পাঁচখনীয়া এই টেষ্ট শৃংখলাত দুয়োটা দলে এতিয়ালৈকে ১-১ ফলাফলত সমতা স্থাপন কৰি আছে।

00000000

NPR/RNU

অৰুণাচল প্ৰদেশৰ নামনি দিবাং উপত্যকাৰ ৰয়িঙৰ সমীপত নিৰ্মাণকাৰ্য চলাই থকা দিবাং নৈৰ জলবিদ্যুৎ প্ৰকল্পই উজনি অসমলৈ ভাবুকি কঢ়িয়াই অনাৰ আশংকাত এই নিৰ্মাণৰ বিৰুদ্ধে বিভিন্ন দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছতো নিৰ্মাণকাৰ্য চলি আছে। এই সন্দৰ্ভত **অসমীয়া প্ৰতিদিন** কাকতে বাতৰি প্ৰকাশ কৰিছে। ইপিনে, অৰুণাচলৰ পৰা ৫০ কিলোমিটাৰ দূৰত চীনে নিৰ্মাণ কৰি থকা মেডগ নদীবান্ধ হিচাপে পৰিচিত বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধে অসম-অৰুণাচল ধ্বংস কৰাৰ আশংকা কৰা হৈছে। এই বাতৰি **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অতিৰিক্ত ৰাসায়নিক সাৰ ব্যৱহাৰৰ ফলত দেশৰ বিভিন্ন অঞ্চলৰ কৃষিভূমিত জৈৱ উপাদান দ্ৰুতগতিত হ্ৰাস পাইছে। ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰতিবেদনত প্ৰকাশ পোৱা এই উদ্বেগজনক তথ্যত আলোকপাত কৰি **দৈনিক অসম** কাকতে বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰৰ কৰ্মচাৰীয়ে এটকাও কিস্তি নিদিয়াকৈ ১০ লাখ টকাৰ পৰা ২ কোটি টকা পৰ্যন্ত বীমাৰ সুবিধা লাভ কৰিব। এই বাতৰি **দৈনিক জনমভূমি** কাকতৰ।

বি টি চিত ১৬ খন মহাবিদ্যালয় শীঘ্ৰে প্ৰাদেশীকিকৰণ কৰা হ'ব বুলি বি টি আৰ শিক্ষা বিভাগৰ উপদেষ্টা ড° ৰামানন্দ সিন্‌হাই কালি কোকৰাঝাৰত সাংবাদিকৰ আগত প্ৰকাশ কৰে। এই বাতৰি **দৈনিক অগ্ৰদূত** কাকতৰ।

১৪ হাজাৰ ৯০০ কোটি টকা ব্যয়সাপেক্ষে গহপুৰ-নুমলীগড় সংযোগী অভিলাসী প্ৰকল্প সম্পন্ন হ'ব। ব্ৰহ্মপুত্ৰত দেশৰ ভিতৰতে দীৰ্ঘতম সুৰংগ নিৰ্মাণৰ বাবে ৰাষ্ট্ৰীয় বন্যপ্ৰাণী ব'ৰ্ডৰ সেউজ সংকেতৰ এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে।

**অসমীয়া খবৰ** কাকতে গোৱালপাৰাৰ পাইকান বনাঞ্চলৰ চৰকাৰী ভূমিত প্ৰশাসনে উচ্ছেদ চলোৱাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

অপাৰেচন সিন্দূৰ অভিযানৰ সফলতাৰ আঁৰত থলুৱা প্ৰযুক্তিৰ ভূমিকা আছিল বুলি ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালৰ এটা মন্তব্যৰে **দি আছাম ট্ৰিবিউন** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে মেঘালয়ত কালি কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ লগতে ৭২ টা ডিজিটেল পুথিভঁৰাল উদ্বোধন কৰাৰ বাতৰিটো **দা ছেণ্টিনেল** কাকতে প্ৰকাশ কৰিছে।

oooooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে ধুমুহা-গাজনিৰে সৈতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooooo

**সমাপ্ত**